# এজোপা গছত যীচুৱে এজন চোৰক পালে

## মন পালটন কৰাত ল’ৰা-ছোৱালীক সহায় কৰক

ল’ৰা-ছোৱালীৰ বয়স আৰু প্ৰয়োজনবোৰত খাপ খুউৱা কামবোৰ এই কামবোৰৰ মাজত বাচি লওক।

ডাঙৰ ল’ৰা / ছোৱালী বা শিক্ষক ঃ চক্কেয়ৰ কাহিনীটো লূক ১৯ঃ১০ পদ পঢ়ক। যীচুক লগ পোৱাত অনুতাপ কৰা ধন চুৰ কৰা এজন মানুহৰ বিষয়ে ইয়াতে কৈছে।

এই অধ্যয়নৰ শেষ পৃষ্ঠাত থকা ছবিখন ল’ৰা ছোৱালীক নকল কৰিবলৈ অথবা ৰং দিবলৈ দিয়ক।

**সোধক ঃ** *(প্ৰতি প্ৰশ্নৰ অন্তত উত্তৰ দিয়া আছে।)*

- চক্কেয়ৰ কি চাকৰি আছিল? *(২ পদ চাওক। কৰতোলা সকলে প্ৰায়ে মানুহবিলাকৰ পৰা অতি ধন দাবী কৰে। তেওঁলোকে উপৰিঞ্চি টকা লয় আৰু অতি চহকী হয়। তেওঁলোক চুৰ)*
- চক্কেয়ই কিয় গছৰ ওপৰলৈ উঠিছিল? *(৩ পদ চাওক)*
- এজন চুৰ হোৱা স্বত্বেও চক্কেয়ক যীচুৱে ক্ষমা কৰা কেনেকৈ দেখুৱালে? *(৫ পদ চাওক। যীচু তেওঁৰ ঘৰলৈ খাবলৈ গ’ল।)*
- তেওঁৰ লগত যীচুৱে কথা পাতোঁতে চক্কেয়ই কেনে অনুভৱ কৰিছিল? *(৬ পদ। তেওঁ আনন্দিত আছিল।)*
- যীচুৱে তেওঁক ক্ষমা কৰা বুলি চক্কেয়ই জানিছিল। কৃতজ্ঞতা জনাই চক্কেয়ই কি কৰিলে? *(৮ পদ চাওক)*
- যীচুৱে কাক ৰক্ষা কৰিবলৈ আহিছিল? *(১০ পদ)*

চক্কেয়ৰ কাহিনীটোৰ নাট কৰক। উপাসনাৰ সময়ত নাটখন প্ৰদৰ্শন কৰিবলৈ উপাসনা চলাওঁতাৰ লগত ব্যৱস্থা কৰক। নাট কৰাত ল’ৰা-ছোৱালীৰ লগত আপোনাৰ সময় দিয়ক। কাহিনীৰ গোটেই অংশ নকৰিলেও হ’ব।

- ডাঙৰ ল’ৰা-ছোৱালী অথবা বয়সীয়া সকলক তলত দিয়া ভাওবোৰ দিয়ক ঃ

  **বৰ্ণনাকাৰী,** কাহিনীটো সংক্ষেপে কওক আৰু কি কব আৰু কৰিব লাগে মনত পেলাবলৈ ল’ৰা ছোৱালীক সহায় কৰক।

  **যীচু**।

  **চক্কেয়,** খুচুৰা পইচা বুজাবলৈ এটা মোনাত শিলগুটি লব।
- সৰু ল’ৰা-ছোৱালীক মানুহবিলাকৰ ভাও দিয়ক।

**বৰ্ণনাকাৰী ঃ** কাহিনীটোৰ ১ম ভাগ কওক (লূক ১৯ঃ১-৬)। এতিয়া কওক, মানুহবিলাকে কি কয় শুনক।

**মানুহবিলাক ঃ** “যীচু আহিব !”

“চক্কেয়লৈ চোৱাহঁক। তেওঁ গছ এজোপাত উঠিছে !”



"মোৰ কৰ নিওঁতে, তেওঁ মোৰ টকাখিনি চুৰ কৰিলে।"

"সেই সৰু ফুটীয়া মানুহজন অতি বেয়া !"

"মই ইচ্ছা কৰোঁ যীচুৱে শাস্তি দিব।"

**চক্কেয়ঃ** চকী এখনত উঠে।

**যীচুঃ** ওপৰলৈ চাই কয়, "হে চক্কেয়, নামি আহাঁ। আজি মই তোমাৰ ঘৰত আলহী হম।"

**বৰ্ণনাকাৰী ঃ** কাহিনীটোৰ ২য় খণ্ড কওক (৭-১০ পদ) আৰু কয়, "চক্কেয়ই কি কয় শুনক।"

**চক্কেয় ঃ** চকীৰ পৰা নামি আহে আৰু কয়, "যীচু মোৰ ঘৰলৈ আহিছে ! তেওঁ মোক ক্ষমা কৰিলে। মই অতি সুখী। মই আনৰ পৰা যিমান লৈছোঁ তাতকৈ অধিক ঘূৰাই দিম।" (মোনাৰ পৰা খুচুৰা পইচা উলিয়াই মানুহবিলাকক দিয়া হেন দেখায়।) কওক, "মই দুখীয়াক সহায় কৰিম ! লোৱা, মই তোমাক এইখিনি দিছোঁ।

**যীচু ঃ** এনে লোকক মই উদ্ধাৰ কৰিবলৈ আহিছোঁ। চক্কেয় হেৰাইছিল। কিন্তু তেওঁ এতিয়া পৰিত্ৰান পালে।"

**মানুহবিলাক ঃ** "চক্কেয়ই মোক দিয়া টকাবোৰলৈ চোৱা !"

"এনে এজন চুৰক যীচুৱে কেনেকৈ উদ্ধাৰ কৰিলে ?"

"মোৰ পাপবোৰকো ঈশ্বৰে ক্ষমা কৰা মই ইচ্ছা কৰোঁ।"

**বৰ্ণনাকাৰী ঃ** নাটৰ অন্তত ঃ আটাইবোৰ ল'ৰা-ছোৱালীক ধন্যবাদ দিয়ক।

চক্কেয়ৰ কাহিনীটো বয়সীয়া সকলৰ নিমিত্তে যদি ল'ৰা ছোৱালীয়ে নাট পৰিবেশন কৰিছে, তেন্তে ১ম পৃষ্ঠাৰ তালিকাত দিয়া প্ৰশ্নবোৰো সুধিবলৈ দিয়ক।

ল'ৰা-ছোৱালীক সোধক ঃ "আন কি উদাহৰণেৰে আমি ঈশ্বৰৰ ক্ষমাৰ কৃতজ্ঞতা তেওঁক জনাব পাৰোঁ ?" (ল'ৰা-ছোৱালীক উদাহৰণ দিবলৈ কওঁক)।

এটোপোলা পইচাৰ এখন ছবি আঁকক। ল'ৰা-ছোৱালীক তাকে চাই আকিবলৈ দিয়ক। পিছৰ উপাসনাত সেই ছবি সিঁহতে বয়সীয়া সকলক দেখুৱাব পাৰে। সিঁহতক এই কথা বৰ্ণনা কৰিবলৈ দিয়ক যে, ঈশ্বৰে কেনেকৈ আমাৰ হৃদয় পৰিবৰ্ত্তন কৰে, ইয়াকে ই বুজায়, যাতে যেন টকা-পইচাতকৈ তেওঁক প্ৰেম কৰা আমাৰ নিমিত্তে অধিক গুৰুত্বপূৰ্ণ হয়।



**মুখস্থ কৰক,** যিচয়া ১ঃ১৮।

পদ্য আওঁৰাওক ঃ তিনিটা ল'ৰা-ছোৱালীক একোটাকৈ পদ আওঁৰাবলৈ দিয়ক, গীতমালা ৫১ঃ১,৭ আৰু ১৩ পদ।

**প্ৰাৰ্থনা ঃ** "পিতৃ, আপুনি আমাক অতিকৈ ভাল পোৱা বাবে আপোনাক ধন্যবাদ আমি পাপত হেৰাই থাকোঁতে আমাক ৰক্ষা কৰিবলৈ আপুনি আহিল। আপোনাৰ ক্ষমা দানৰ নিমিত্তে আপুনি আমাক ক্ষমা কৰিলে আৰু আমাক আনন্দেৰে পূৰ কৰিলে। আপোনালৈ আমাৰ কৃতজ্ঞতাৰ ধন্যবাদ সদায় আছে। আন লোকক প্ৰেম কৰাৰ দ্বাৰাই প্ৰেম আপোনাক দেখুৱাব খোজোঁ।"

Copyright 2005 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net